# <u>শুভেচ্ছাবাণী</u>

**২৬ জানুৱাৰী,২০২৩**

নমস্কাৰ গ্ৰহণ কৰিব। আমাৰ এই মহান ৰাষ্ট্ৰখনৰ ৭৪ তম্ গণৰাজ্য দিৱস উপলক্ষে অসমবাসীলৈ মই মোৰ আন্তৰিক ওলগ যাচিছোঁ। ২৬ জানুৱাৰীৰ দিনটো হৈছে আমাৰ দেশখনৰ বাবে এটা অন্যতম উল্লেখযোগ্য দিন, কিয়নো এই দিনটোতে ভাৰতবৰ্ষৰ সংবিধান বলবৎ হৈছিল আৰু দেশখন সঁচা অৰ্থত এখন সাৰ্বভৌম আৰু গণতান্ত্ৰিক গণৰাজ্য হিচাপে পৰিগণিত হৈছিল।

এই দিনটোতে স্বৰাজৰ বাবে অদম্য সাহস প্ৰদৰ্শন কৰা মহান স্বাধীনতা সংগ্ৰামীসকলক আমি স্মৰণ কৰো আহক। ভাৰতবৰ্ষৰ ভূখণ্ডৰ অখণ্ডতা ৰক্ষা আৰু আইনৰ শাসন বাহাল ৰখাৰ ক্ষেত্ৰত চৰম ত্যাগ স্বীকাৰ কৰা আমাৰ বীৰ জোৱানসকললৈ মই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। আমাৰ সংবিধান প্ৰণেতা আৰু জাতিৰ ভাগ্যনিয়ন্তা মহান নেতাসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰিছো।

আমাৰ দেশৰ ৭৪ তম্ গণৰাজ্য দিৱস উপলক্ষে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ আৰু আমাৰ জনপ্ৰিয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দ্বাৰা প্ৰচাৰিত মূল্যবোধৰ ওপৰত ভিত্তি কৰি এখন ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আমাৰ যি দায়বদ্ধতা তাক আমি আটায়ে অধিক সুদৃঢ় কৰো আহক।

'গণতন্ত্ৰৰ মাতৃ' হিচাপে পৰিচিত ভাৰতবৰ্ষৰ বিশ্ব নেতা হিচাপে আত্মপ্ৰকাশ কৰাৰ এক অন্তৰ্নিহিত শক্তি আছে। স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ পিছত আগন্তুক ২৫ বছৰত দেশৰ যাত্ৰা অতি গুৰুত্বপূৰ্ণ। এই 'অমৃত কাল'ত বিশ্বক দিক্ প্ৰদান কৰি সঁচা অৰ্থত "এক বিশ্বগুৰু" হিচাপে পৰিগণিত হোৱাত আমাৰ দেশখনৰ সবলীকৰণৰ বাবে আমি আটায়ে সংকল্পবদ্ধ হোৱা উচিত।

আজিৰ এই ঐতিহাসিক দিনটোত সমূহ দেশবাসীলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ।

**জয় হিন্দ!**

**(অধ্যাপক জগদীশ মুখী)**